**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে আজি মিজোৰাম, মণিপুৰ আৰু অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে আজি দিনৰ ১০ বজাত আইজলৰ লামউৱালত আয়োজিত এটা অনুষ্ঠানত নৱনিৰ্মিত বৈৰৱী-চাইৰাং ৰে'লপথেৰে তিনিখন নতুন ৰে'লগাড়ীৰ যাত্ৰাৰ ভাৰ্চুৱেলি শুভাৰম্ভ কৰিব। এই নতুন ৰে'লগাড়ীকেইখন হৈছে চাইৰাং আৰু দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং আৰু গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ আৰু চাইৰাং আৰু ক'লকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মণিপুৰলৈ যাব আৰু চুড়াচান্দপুৰ আৰু ইম্ফলত দুখন জনসভাত অংশ ল'ব। মণিপুৰৰ কেইবাটাও সংগঠনে কালি মাজনিশাৰ পৰা আহ্বান দিয়া ধৰ্মঘটৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ ৰাজ্যখনত নিশ্ছিদ্ৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। আবেলিৰ ভাগত প্ৰধানমন্ত্ৰী গুৱাহাটীলৈ আহিব আৰু বিয়লি ৫ বজাত খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে তেওঁ ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড° ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্বাৱধানত সংকলন কৰা ড° ভূপেন হাজৰিকাৰ বহুভাষিক জীৱনী গ্ৰন্থখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। প্ৰধানমন্ত্ৰীৰ সন্মানাৰ্থে প্ৰায় এহেজাৰ ২০০গৰাকী শিল্পীয়ে খানাপাৰাৰ খেলপথাৰত বিশ্ববিশ্ৰুত শিল্পীগৰাকীৰ ১৪টা বচা বচা গান আৰু কবিতা একেলগে পৰিৱেশন কৰিব।

প্ৰধানমন্ত্ৰীয়ে নিশাটো কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটোৱাৰ পাছত কাইলৈ মঙলদৈলৈ যাব আৰু প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। কাইলৈ তেওঁ ভাৰ্চুৱেল পদ্ধতিৰে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

ইয়াৰ পাছত শ্ৰীমোদী গোলাঘাট জিলাৰ নুমলীগড়লৈ যাব আৰু নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত ভাগ ল'বলগীয়া সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰ কৰিব। বিয়লি পাঁচ বাজি ১০ মিনিটৰ পৰা আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখাত এই অনুষ্ঠান প্ৰচাৰিত হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়া পাঁচ বাজি ১৫ মিনিটত প্ৰচাৰ হ'বলগীয়া বিয়লিৰ আঞ্চলিক বাতৰি আৰু সন্ধিয়া ছয় বজাত প্ৰচাৰ হ'বলগীয়া সন্ধিয়াৰ উজনি অসমৰ বাতৰি প্ৰচাৰিত নহয়।

০০০০০০

বিশ্ব পৰ্যটন দিৱস, ২০২৫ উপলক্ষে অসম চৰকাৰৰ পৰ্যটন সঞ্চালকালয়ে অসম ভিত্তিত ফটোগ্ৰাফী প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাৰ বিষয়সমূহ হৈছে- প্ৰকৃতি আৰু বন্যপ্ৰাণী, সংস্কৃতি আৰু খাদ্য সম্ভাৰ, চাহ পৰ্যটন, ধৰ্মীয় আৰু আধ্যাত্মিক পৰ্যটন। ১৮ ছেপ্তেম্বৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

ইপিনে, স্বচ্ছ ভাৰত অভিযান গ্ৰামীণে ফটোগ্ৰাফী আৰু ৰীল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ৰাজ্যিক আৰু জিলা পৰ্যায়ত শ্ৰেষ্ঠত্বৰ ভিত্তিত এই প্ৰতিযোগীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। প্ৰতিযোগিতাৰ বাবে সাতটা বিষয়বস্তু  নিৰ্ধাৰণ কৰা হৈছে। প্ৰতিযোগিতাত অংশগ্ৰহণৰ অন্তিম দিন অহা ১৯ নৱেম্বৰ।

০০০০০০

শিৱসাগৰ জিলাৰ নামতিআলি গাঁও পঞ্চায়তৰ আটাইকেইখন ৰাজহ গাঁৱক সামৰি কালি মহিলা আৰু কিশোৰীসকলৰ এখন সভাৰ আয়োজন কৰা হয়। এই সভাত শিৱসাগৰ জিলাৰ শিশু সুৰক্ষা গোটৰ বিষয়া ৰাণী হাজৰিকা, নামতি থানাৰ বিষয়া ৰাজেশ প্ৰসাদ ৰনিয়াৰকে ধৰি কেইবাগৰাকীও ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাত বাল্য বিবাহ দূৰীকৰণ, শিশু অধিকাৰ সুৰক্ষা, মহিলা সৱলীকৰণ আদি বিষয়ত আলোচনা কৰা হয়।

০০০০০০

ধেমাজি জিলাৰ গোগামুখত খাদ্যত বিষক্ৰিয়া হৈ শিশুসহ প্ৰায় ৪০ গৰাকী লোক অসুস্থ হৈ পৰিছে। গোগামুখ টিঙিৰী গাঁৱৰ শংকৰ সংঘৰ প্ৰাথমিক শাখাৰ নামঘৰত মাহ-প্ৰসাদ খাই অসুস্থ হোৱা লোককেইগৰাকীক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। সম্প্ৰতি   আক্ৰান্তসকলৰ অৱস্থা সুস্থিৰ বুলি জানিব পৰা গৈছে।

০০০০০০

তিনিচুকীয়া নগৰৰ নাৰী শিক্ষাৰ অগ্ৰণী অনুষ্ঠান তিনিচুকীয়া  ৱমেন কলেজে এই বৰ্ষত প্ৰতিষ্ঠাৰ ৬০ বছৰ পূৰ্ণ কৰিছে। এই  উপলক্ষে মহাবিদ্যালয়খনে হীৰক জয়ন্তী বৰ্ষ উদযাপনৰ বাবে প্ৰস্তুতি চলাইছে। এই সন্দৰ্ভত মহাবিদ্যালয় কৰ্তৃপক্ষই আজি এখন ৰাজহুৱা সভাৰ আয়োজন কৰিছে। এই সভাত হীৰক জয়ন্তী উদযাপন সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হ'ব বুলি আমাৰ তিনিচুকীয়াৰ সংবাদদাতাই জনাইছে।

০০০০০০

সমাপ্ত